# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 19-SEP-2026
**Time :** 6-45 PM

## *Assamese Evening Bulletin*
### Headlines
--------------------

১।  ৰাজ্যজুৰি জুবিন দিৱস পালন। সোণাপুৰৰ জুবিন ক্ষেত্ৰত অনুৰাগীৰ অভূতপূৰ্ব ভিৰ। ৰাজ্যজুৰি বিজেপিৰ ৰক্তদান শিবিৰ।

২।  জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ সাক্ষ্য গ্ৰহণ প্ৰক্ৰিয়া অব্যাহত। প্ৰবাসী অসমীয়া জিয়লাংছুট নাৰ্জাৰীৰ সাক্ষ্য গ্ৰহণ, জেৰা সম্পূৰ্ণ।

৩।  কোচ বিহাৰৰ মধুপুৰ সত্ৰৰ সংৰক্ষণ, সৌন্দৰ্য বৰ্ধন আৰু সামগ্ৰিক উন্নয়নৰ বাবে চৰকাৰ বিস্তৃত পৰিকল্পনাৰে আগবঢ়া বুলি মুখ্যমন্ত্ৰীৰ মন্তব্য।

৪।  নগাঁও লোকসভাৰ উপ-নিৰ্বাচনৰ বাবে ১৫ গৰাকী প্ৰাৰ্থীৰ প্ৰতিদ্বন্দিতা নিশ্চিত। ৩ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন প্ৰত্যাহাৰ। **আৰু**

৫।  জাপানৰ সম্ৰাট নাৰ'হিটোৰ দ্বাৰা এছিয়ান গেমছ আনুষ্ঠানিকভাৱে মুকলি ঘোষণা।

০০০০০০০

অসমবাসীৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গ কায়িকভাৱে হেৰাই যোৱাৰ আজি এবছৰ সম্পূৰ্ণ হৈছে। তিনি দশকৰো অধিক কাল অসমীয়া সংগীত জগতৰ একপ্ৰকাৰ অপ্ৰতিদ্বন্দ্বী কণ্ঠশিল্পী জুবিন গাৰ্গে অসমীয়াৰ উপৰি বাংলা, হিন্দী আৰু কেইবাটাও ভাৰতীয় ভাষাত গীত গাই শ্ৰোতাক মন্ত্ৰমুগ্ধ কৰি থৈ গৈছে।

শিল্পীগৰাকীৰ স্মৃতিত তেওঁৰ সৃষ্টিৰাজি উদযাপনৰ অৰ্থে কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেচন, জুবিন গাৰ্গ ন্যাসকে ধৰি বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ উদ্যোগত আৰু সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত ৰাজ্যজুৰি তিনিদিনীয়া কাৰ্যসূচীৰে জুবিন দিৱস পালন কৰা হৈছে। এই কাৰ্যসূচীৰ আজি তৃতীয় দিনা শিল্পীগৰাকীক শ্ৰদ্ধা জনাবৰ বাবে সোণাপুৰৰ জুবিন ক্ষেত্ৰত অসংখ্য লোকে ভিৰ কৰা পৰিলক্ষিত হৈছে।

শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই ৰাজ্যিক বিজেপিয়ে ৰক্তদান শিবিৰৰ আয়োজন কৰিছে। ৰাজ্যৰ ৩৯ খন বিজেপি সাংগঠনিক জিলাত ৰক্তদান শিবিৰ অনুষ্ঠিত হৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই বশিষ্ঠৰ অটল বিহাৰী বাজপেয়ী ভৱনত আয়োজিত ৰক্তদান শিবিৰত ৰক্তদান কৰে। মন্ত্ৰী অশোক সিংহল, বিমল বৰা, ৰামেশ্বৰ তেলী, ডাঃ ৰণোজ পেগু, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াকে ধৰি দলৰ ১৩ গৰাকী নেতা-কৰ্মীয়েও এই

শিবিৰত ৰক্তদান কৰে। এই উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে জুবিন গাৰ্গে ৰাজ্যৰ সংগীত ক্ষেত্ৰলৈ সাগৰসম বৰঙণি আগবঢ়াই থৈ গৈছে। কৃতজ্ঞ অসমীয়া জাতিয়ে সদায় জুবিন গাৰ্গক সোঁৱৰণ কৰিব বুলি তেওঁ মন্তব্য কৰে।

অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে প্ৰাণৰ শিল্পীক সুঁৱৰি ৰাজ্যজুৰি জুবিন গাৰ্গ স্মৃতি সন্ধ্যা পালনৰ ব্যৱস্থা কৰিছে।

অসম জাতীয় বিদ্যালয় আৰু জুবিন গাৰ্গ ন্যাসৰ উদ্যোগত ৰাজ্যৰ জাতীয় বিদ্যালয়সমূহত শিল্পীগৰাকীৰ সোঁৱৰণত 'দিয়া ঘূৰাই দিয়া' গীতটি পৰিৱেশন কৰা হয়। নুনমাটিৰ অসম জাতীয় বিদ্যালয়ত এই কাৰ্যসূচীত জুবিন গাৰ্গ ন্যাসৰ হৈ গৰিমা শইকীয়া গাৰ্গ, ন্যাসৰ কৰ্মকৰ্তা গৌতম শৰ্মা উপস্থিত থাকে। গৰিমা শইকীয়া গাৰ্গে বিদ্যালয়খনৰ দুহেজাৰ ৫০০ শিক্ষাৰ্থীয়ে সমস্বৰে এই গীতটি পৰিৱেশন কৰি শিল্পীগৰাকীৰ প্ৰতি দেখুওৱা মৰম আৰু শ্ৰদ্ধাৰ শলাগ লয়।

**বাইট (গৰিমা গাৰ্গ)**

সদৌ অসম ছাত্ৰ সন্থাই প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই আজি ৰাজ্যজুৰি **পোহৰেৰে চাকি গছি** শীৰ্ষক বিশেষ কাৰ্যসূচীৰ আয়োজন কৰিছে। গুৱাহাটীৰ লতাশিল খেলপথাৰত সদৌ কামৰূপ মহানগৰ জিলা ছাত্ৰ সন্থা আৰু সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ সহযোগত  কেন্দ্ৰীয়ভাৱে এই কাৰ্যসূচীৰ আয়োজন কৰা হয়।

শিৱসাগৰৰ মুক্তিনাথ চাৰিআলিত অনুষ্ঠিত **পোহৰেৰে চাকি গছি** শীৰ্ষক কাৰ্যসূচীত আছুৰ সাধাৰণ সম্পাদক সমীৰণ ফুকনে জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আছুৰ নেতাজনে জুবিন গাৰ্গক ন্যায়িক প্ৰক্ৰিয়াৰে প্ৰকৃত ন্যায় নিশ্চিত কৰাৰ দাবী জনায়।

**বাইট (সমীৰণ ফুকন)**

প্ৰাণৰ শিল্পীগৰাকীৰ প্ৰথম মৃত্যুবাৰ্ষিকী উপলক্ষে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ প্ৰাংগণত বন্তি প্ৰজ্বলনেৰে শিল্পীগৰাকীলৈ শ্ৰদ্ধা তৰ্পণ কৰা হয়। সন্ধিয়া ৫ বজাত কলাক্ষেত্ৰ প্ৰাংগণত সমূহীয়া বন্তি প্ৰজ্বলন কাৰ্যসূচী অনুষ্ঠিত হয়। গণেশগুৰি চাৰিআলিতো নাগৰিক সমাজৰ উদ্যোগত প্ৰাণৰ শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়।

ৰাজ্যৰ প্ৰান্তে প্ৰান্তে জুবিন দিৱসৰ সৈতে সংগতি ৰাখি আজি বিস্তৃত কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ঢেকীয়াজুলিত প্ৰায় ৩ হাজাৰ ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজে একেলগে মায়াবিনী গীতটি পৰিৱেশন কৰে।

নগাঁও জিলা সাহিত্য সভাই উপাসনা স্বৰ্ণ শাখা সাহিত্য সভাৰ সহযোগিতাত জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰি। অনুষ্ঠানত বিভিন্ন শাখাৰ প্ৰতিনিধি, ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে।

চিৰাং জিলাৰ বিজনী ছোৱালী হাইস্কুল খেলপথাৰত আজি সদৌ চিৰাং জিলা ছাত্ৰ সন্থাৰ উদ্যোগত জুবিন দিৱস পালন কৰা হয়। কাৰ্যসূচীত বিজনীৰ শিল্পী তথা বিভিন্ন স্কুলৰ ছাত্ৰ-ছাত্ৰীয়ে শিল্পীগৰাকীৰ অমৰ সৃষ্টি মায়াবিনী গীতটি অসমীয়া, বড়ো আৰু বঙালী ভাষাত পৰিৱেশন কৰে।

০০০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত **জুবিন মনন** শীৰ্ষক জুবিন গাৰ্গ বিষয়ক এটি দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী দিগন্ত ভাৰতী, জুবিন গাৰ্গৰ ভগ্নী পামি বৰঠাকুৰ আৰু আকাশবাণীৰ ঘোষক তথা জনপ্ৰিয় কণ্ঠশিল্পী মনদীপ মহন্তই অংশ ল'ব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

oooooo

নগাঁও জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে এমাহ ধৰি অব্যাহত ৰখা প্ৰজেক্ট কম্পন শীৰ্ষক বিশেষ অভিযানৰ অধীনত আজি জিলাখনৰ ৭টা ৰাজহ চক্ৰত ভূমিকম্পৰ সময়ত অৱলম্বন কৰিবলগীয়া সাৱধানতাৰ আখৰা অনুষ্ঠিত হয়। সংশ্লিষ্ট ৰাজহ চক্ৰসমূহৰ দুৰ্যোগ ব্যৱস্থাপনা দলৰ সহযোগত নিৰ্বাচিত বিদ্যালয়সমূহত এই আখৰা অনুষ্ঠিত হয়। আখৰাত দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ক্ষেত্ৰ বিষয়া, জিলা দুৰ্যোগ সঁহাৰি বাহিনীৰ সদস্য, অগ্নিনিৰ্বাপক আৰু জৰুৰীকালীন সেৱাৰ কৰ্মচাৰীৰ লগতে মুঠ ৭ খন বিদ্যালয়ৰ দুহেজাৰৰো অধিক ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু বিদ্যালয়ৰ কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰে। জিলা তথ্য আৰু জনসংযোগ বিষয়াই প্ৰকাশ কৰা অনুসৰি প্ৰজেক্ট কম্পন অভিযানৰ মূল উদ্দেশ্য হৈছে ভূমিকম্পৰ সময়ত বিদ্যালয়সমূহৰ প্ৰস্তুতি আৰু সঁহাৰি ব্যৱস্থা শক্তিশালী কৰা, ছাত্ৰ-ছাত্ৰী তথা বিদ্যালয়ৰ কৰ্মচাৰীসকলক জৰুৰীকালীন সুৰক্ষা ব্যৱস্থাৰ সৈতে পৰিচিত কৰোৱা আৰু দুৰ্যোগৰ সময়ত সঠিকভাৱে উদ্ধাৰ তথা নিৰাপদ স্থানলৈ স্থানান্তৰ প্ৰক্ৰিয়াৰ আখৰা কৰা।

ooooooo

দৰং জিলাৰ উচ্চ শিক্ষাৰ প্ৰাণ কেন্দ্ৰত মঙলদৈ মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ শুভাৰম্ভণি অনুষ্ঠান কাইলৈ অনুষ্ঠিত হ'ব। মহাবিদ্যালয়খনৰ ৭৫ বছৰীয়া প্ৰতিষ্ঠা দিৱসো কাইলৈ অনুষ্ঠিত হ'ব। এই উপলক্ষে কাইলৈ মন্ত্ৰী নীলিমা দেৱীয়ে মহাৰজত জয়ন্তীৰ আৰু মহাবিদ্যালয়খনৰ অধ্যক্ষই ড০ কমলাকান্ত বৰাই মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰিব। সাংসদ দিলীপ শইকীয়াই সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব বুলি মহাবিদ্যালয়খনৰ অধ্যক্ষক ড০ বৰাই জানিবলৈ দিয়ে। আনহাতে, দুপৰীয়া হ'বলগীয়া অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

ooooooo

নগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি পথ সুৰক্ষা সমিতিৰ চলিত মাহৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত আৰণ্যক শইকীয়াৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত যোৱা মাহত জিলাখনৰ বিভিন্ন স্থানত সংঘটিত পথ দুৰ্ঘটনাসমূহৰ কাৰণসমূহ সূক্ষ্মভাৱে পৰ্যালোচনা কৰা হয়। ইয়াৰ লগতে ভৱিষ্যতে এনে দুৰ্ঘটনা ফলপ্ৰসূভাৱে হ্ৰাস কৰাৰ বাবে গ্ৰহণ কৰিবলগীয়া প্ৰয়োজনীয় পদক্ষেপ আৰু কাৰ্যপদ্ধতি সন্দৰ্ভতো বিস্তৃতভাৱে আলোচনা কৰা হয়। সভাত জিলা আয়ুক্ত শইকীয়াই ৰাষ্ট্ৰীয় ঘাইপথত তালাচী অভিযান তীব্ৰতৰ কৰি তোলাৰ লগতে সজাগতামূলক অভিযান চলাবলৈ পৰিবহণ আৰু আৰক্ষী বিভাগক নিৰ্দেশ দিয়ে।

oooooooo

মৰিগাঁও জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আজি মৰিগাঁও মহাবিদ্যালয়ত এইচ আই ভি আৰু এছ টি আই বিষয়ক সজাগতা অভিযান অনুষ্ঠিত হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থকা মৰিগাঁৱৰ আৰক্ষী অধীক্ষক নিশান্ত সৌৰভে এইচ আই ভি আৰু চিফিলিচ বিষয়ক সজাগতা বাৰ্তা সম্বলিত বিশেষ ডাক কাৰ্ড

উন্মোচন কৰি অভিযানৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত কেইবাগৰাকী বক্তাই এইচ আই ভি, এছ্‌ টি আই আৰু মাদকদ্ৰব্য ব্যৱহাৰজনিত  সমস্যাৰ মোকাবিলা কৰা, পুনৰ্বাসন আৰু সামূহিক অংশগ্ৰহণৰ সমন্বিত দৃষ্টিভংগীৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰা জ্যেষ্ঠ সাংবাদিক ডালিম ফুকনে এইচ আই ভি, মাদক দ্ৰব্য সম্পৰ্কীয় ক্ষতিৰ বিৰুদ্ধে সজাগতা সৃষ্টিত ছাত্ৰ-ছাত্ৰী আৰু যুৱ সমাজৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ ওপৰত আলোকপাত কৰে।

০০০০০০০

বি টি চিৰ উপ-নিৰ্বাচন শীঘ্ৰে অনুষ্ঠিত কৰিবলৈ নিৰ্বাচন আয়োগৰ ওচৰত দাবী জনাব বুলি বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য তথা বি পি এফৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে আজি প্ৰকাশ কৰে। কোকৰাঝাৰত সংবাদ মাধ্যমৰ আগত বি পি এফ প্ৰধান মহিলাৰীয়ে কয়, যে দলে অতি শীঘ্ৰে তিনিটা সমষ্টিত উপ-নিৰ্বাচন অনুষ্ঠিত হোৱাটো বিচাৰিছে। সেয়ে কাজলগাঁও, দৰঙাজুলি আৰু ষৌতা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনৰ দিন সোনকালে ধাৰ্য কৰিবলৈ কাইলৈ নিৰ্বাচন আয়োগলৈ দলে পত্ৰ প্ৰেৰণ কৰিব বুলি তেওঁ প্ৰকাশ কৰে।

(বাইট-হাগ্ৰামা)

০০০০০০০

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ আজি প্ৰাৰ্থিত্ব প্ৰত্যাহাৰৰ অন্তিম দিনা ৩ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰে। ৩ গৰাকী প্ৰাৰ্থীয়ে নাম প্ৰত্যাহাৰ কৰাত মূল প্ৰতিদ্বন্দিতাত ১৫ গৰাকী প্ৰাৰ্থী বৰ্তি আছে। মনোনয়ন প্ৰত্যাহাৰ কৰা প্ৰাৰ্থী ৩ গৰাকী হ'ল তৃণমূল কংগ্ৰেছৰ মমতা বেনাৰ্জী ফৈদৰ আব্দুল ছালাম, নৱৰং কংগ্ৰেছ পাৰ্টীৰ কৰিমুল্লা শ্বেখ আৰু নিৰ্দলীয় পুৰুযোত্তম বেহেৰা।  উপ-নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰসমূহৰ পৰীক্ষণ সম্পূৰ্ণ হোৱাৰ পাছত ১৮ গৰাকী প্ৰাৰ্থী যোগ্য বিবেচিত হৈছিল।

০০০০০০০

কোচ বিহাৰৰ মধুপুৰ সত্ৰৰ সংৰক্ষণ, সৌন্দৰ্য বৰ্ধন আৰু সামগ্ৰিক উন্নয়নৰ বাবে চৰকাৰ বিস্তৃত পৰিকল্পনাৰে আগবঢ়া বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মন্তব্য কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে এই ক্ষেত্ৰত বিজেপি নেতৃত্বাধীন পশ্চিমবংগ চৰকাৰৰ সহযোগিতা আৰু সমন্বয় গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি পশ্চিমবংগ চৰকাৰৰ মন্ত্ৰী নিশিথ প্ৰামানিক আৰু মালতী ৰাভা ৰয় তথা সতীৰ্থ মন্ত্ৰী অশোক সিংহল আৰু অশ্বিনী ৰায় সৰকাৰৰ সৈতে মধুপুৰ সত্ৰ পৰিদৰ্শন কৰে। ভ্ৰমণকালত মধুপুৰ সত্ৰ সংৰক্ষণ আৰু উন্নয়নৰ বিভিন্ন দিশৰ বিষয়ে আলোচনা কৰা হয়। পশ্চিমবংগ চৰকাৰৰ সহযোগিতাৰে মধুপুৰক বটদ্ৰৱাৰ আৰ্হিত বৃহৎ সামাজিক, সাংস্কৃতিক পৰ্যটনস্থলী হিচাপে পৰিগণিত কৰাৰ চেষ্টা কৰা হ'ব বুল মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সংক্ৰান্তত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত প্ৰবাসী অসমীয়া সাক্ষ্য গ্ৰহণ প্ৰক্ৰিয়া অব্যাহত আছে। আদালতৰ মজিয়াত আজি দ্বিতীয় দিনৰ বাবে উপস্থিত হোৱা প্ৰবাসী অসমীয়া জিয়লাংছুট নাৰ্জাৰীক অভিযুক্ত সিদ্ধাৰ্থ শৰ্মা, শেখৰজ্যোতি গোস্বামী আৰু অমৃতপ্ৰভা মহন্তৰ অধিবক্তাই জেৰা কৰা প্ৰক্ৰিয়া সম্পূৰ্ণ কৰে। উল্লেখযোগ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত ১১ জন প্ৰবাসী অসমীয়াৰ নাম

সাক্ষী হিচাপে অন্তৰ্ভুক্ত হৈ আছে। ইয়াৰ ভিতৰত ৫ জন প্ৰবাসী অসমীয়াই ইতিমধ্যে আদালতত সাক্ষ্য প্ৰদান কৰিছে।

০০০০০০০

তামুলপুৰ জিলাত হাতী-মানুহৰ সংঘাত নিৰ্মূলৰ বাবে জিলা প্ৰশাসনে হেল্পলাইন নম্বৰ মুকলি কৰাৰ লগতে জনসজাগতামূলক কাৰ্যসূচী হাতত লৈছে। **নিৰাপদ তামুলপুৰৰ বাবে আহক, সহাৰস্থান কৰো** শীৰ্ষক বাৰ্তাৰ জৰিয়তে হাতীৰ বাসস্থান আৰু হস্তীদণ্ডী সুৰক্ষিত ৰখা, বৈদ্যুতিক বিপদ প্ৰতিৰোধ আৰু সংঘাতৰ সম্ভাৱনা হ্ৰাস কৰাৰ বাবে ৰাইজক সজাগ হ'বলৈ আহ্বান জনোৱা হৈছে। জিলা প্ৰশাসনে বনাঞ্চল বা হাতী চলাচলৰ পথত চিকাৰ, কাঠ সংগ্ৰহ, গৰু চৰোৱা আদি কামৰ বাবে প্ৰৱেশ নকৰিবলৈ পৰামৰ্শ দিয়ে। বনৰীয়া হাতীক হাৰাশাস্তি নকৰিবলৈও জিলা প্ৰশাসনে ৰাইজক আহ্বান জনায়। হাতীৰ ছবি বা ভিডিঅ' সংগ্ৰহৰ বাবে ওচৰলৈ নাযাবলৈও সকীয়াই দিয়ে। জিলা প্ৰশাসনে হাতী চলাচল কৰা অঞ্চলত অবৈধ বৈদ্যুতিক ফেঞ্চিং, বিপদজনকভাৱে বিদ্যুৎ সংযোগ স্থাপন বা ব্যৱহাৰ নকৰিবলৈও কঠোৰভাৱে সকীয়াই দিয়ে। হাতী দেখা পালে বা হাতীৰ উপস্থিতিৰ কোনো চিন লাভ কৰিলে তৎক্ষণাত জিলা প্ৰশাসন অথবা বন বিভাগক অৱগত কৰিবলৈ আহ্বান জনোৱা হয়। আনহাতে, জৰুৰী সহায়ৰ বাবে তামুলপুৰ জিলা প্ৰশাসনৰ হেল্পলাইন নম্বৰ ৯৩৮৭৮-৯৩৩৯৪-ত যোগাযোগ কৰিব পাৰিব বুলি বাৰ্তাটোত জনোৱা হৈছে।

০০০০০০০

জাপানৰ সম্ৰাট নাৰ'হিটোৱে আজি এছিয়ান গেমছ মুকলি হোৱা বুলি আনুষ্ঠানিকভাৱে ঘোষণা কৰে। নাগোয়াত আয়োজিত উদ্বোধনী অনুষ্ঠানত সম্ৰাট নাৰ'হিটোৰ ঘোষণাৰ পাছতে জাকজমকীয়া সাংস্কৃতিক কাৰ্যসূচীৰ লগতে বিভিন্ন দেশৰ খেলুৱৈসকলৰ মাৰ্চপাষ্ট অনুষ্ঠিত হয়। মাৰ্চপাষ্টত শ্যুটাৰ মনু ভাকেৰ আৰু কাবাদী খেলুৱৈ পৱন ছেহৰাৱটে ভাৰতীয় পতাকা বহন কৰে।

আনহাতে, এছিয়ান গেমছৰ মহিলা ক্ৰিকেটৰ ছেমি ফাইনেলত কাইলৈ ভাৰত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ চাৰে ১০ বজাত অনুষ্ঠিত হ'ব।

০০০০০০০

অসমৰ হিমানীশ শেখৰ দাস আৰু অভিকা বৰগোঁহাইয়ে উত্তৰ-পূব মণ্ডল আন্তঃৰাজ্যিক বেডমিণ্টন চেম্পিয়নশ্বিপৰ পুৰুষ আৰু মহিলাৰ একক শাখাৰ খিতাপ অৰ্জন কৰিছে। আজি সামৰণি পৰা প্ৰতিযোগিতাখনৰ পুৰুষৰ একক শাখাৰ ফাইনেলত হিমানীশে অৰিজিত চলিহাক পৰাস্ত কৰে। মহিলা শাখাৰ ফাইনেলত অভিকাই মিজোৰামৰ শীৰ্ষ বাছনিৰ লালৰিনকিলিকক পৰাস্ত কৰে। ১৯ বছৰ অনুৰ্ধৰ ল'ৰা শাখাত অসমৰ প্ৰাংগন চৌধুৰী আৰু জুনিয়ৰ ছোৱালী শাখাত গাৰ্গী শইকীয়াই চেম্পিয়নৰ সন্মান অৰ্জন কৰে। শ্বিলঙত অনুষ্ঠিত প্ৰতিযোগিতাখনৰ কালি দলীয় শাখাত অসমে ৪ টা সোণৰ পদক অৰ্জন কৰে। অসমে ডাবল্‌ছতো আজি এটা সোণৰ পদক অৰ্জন কৰে। ইয়াৰ ফলত অসমে প্ৰতিযোগিতাখনত মুঠ ৯ টা সোণৰ পদক লাভ কৰিবলৈ সমৰ্থ হয়।

০০০০০০০

লখিমপুৰ বিধানসভা সমষ্টিৰ বিধায়ক মানৱ ডেকা, জিলা আয়ুক্ত প্ৰণৱজিৎ কাকতি আৰু ৰঙানদী বিধানসভা সমষ্টিৰ বিধায়ক ঋষিৰাজ হাজৰিকাই আজি লখিমপুৰৰ ৰঙানদী আৰু লখিমপুৰ বিধানসভা সমষ্টিৰ মাজেৰে যোৱা ৰাষ্ট্ৰীয় ঘাইপথছোৱাৰ উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। তেওঁলোকে প্ৰকল্পটোৰ কামসমূহ ক্ষিপ্ৰতাৰে আৰু গুণগতভাৱে সম্পন্ন কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক পৰামৰ্শ দিয়ে। এই চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথটো সম্পূৰ্ণ হৈ উঠিলে লখিমপুৰবাসীৰ দীৰ্ঘদিনীয়া সমস্যা অন্ত পৰাৰ লগতে বাণিজ্য আৰু যোগাযোগৰ ক্ষেত্ৰত নতুন দিগন্তৰ সূচনা হ'ব বুলি আশা কৰা হৈছে।

00000000

বাক্সা জিলাৰ মাজৰমাখা গাঁও নিবাসী ধৰ্মপ্ৰাণ মহিলা তথা কেইবাখনো গ্ৰন্থৰ লেখিকা অনিলা দেবীৰ আজি গুৱাহাটীত মৃত্যু হয়। দীৰ্ঘ দিন ধৰি অসুস্থ হৈ থকা দেবীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৭৮ বছৰ। অনিলা দেবীয়ে সাধুকথাৰ গ্ৰন্থ, সাঁথৰ, বিয়াগীত আৰু নামৰ গ্ৰন্থ লিখি থৈ গৈছে।

0000000

পাঠশালাৰ জ্যোতিনগৰ নিবাসী সহকাৰী কৃষি পৰিদৰ্শক, সুদক্ষ খেলুৱৈ, অভিনেতা তথা প্ৰাক্তন ছাত্ৰ নেতা ৰবেন ৰয়ৰ কালি পাঠশালাৰ এখন চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭১ বছৰ।

00000000

**সমাপ্ত**